(গ) চমু টোকা লিখা – ওজাপালি

(ঘ) ভৌতিক সংস্কৃতি বুলিলে কি বুজা? তাৰ ভাগসমূহৰ বিষয়ে চমুকৈ লিখা।

(ঙ) সামাজিক লোকাচাৰ কাক বোলে? অসমৰ সামাজিক লোকাচাৰৰ বিষয়ে চমুকৈ লিখা।

(চ) বড়ো জনগোষ্ঠীৰ নৃত্য সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰা।

(ছ) মৌখিক সাহিত্যৰ বৈশিষ্ট্যসমূহ আলোচনা কৰা।

(জ) সংস্কৃতি কাক বোলে? ইয়াৰ ভাগ কেইটা আৰু কি কি? আলোচনা কৰা।

(ঝ) ৰাভা জনগোষ্ঠীৰ কৃষি উৎসৱ সম্পৰ্কে এটি টোকা লিখা।

৪। তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া ঃ *(যিকোনো দুটা)* ১২×২=২৪

(ক) "অসমীয়া সংস্কৃতি গঠনত বিভিন্ন অনাৰ্য-গোষ্ঠীসকলৰ অৱদান" — এই শীৰ্ষক এটি চমু নিবন্ধ যুগুত কৰা।

(খ) অসমৰ লোকসংস্কৃতিৰ ভাগবোৰ কি কি? প্ৰতিটো ভাগৰ বিষয়ে উদাহৰণসহ আলোচনা কৰা।

(গ) বড়ো জনগোষ্ঠীৰ উৎসৱ-অনুষ্ঠান আৰু সাজপাৰ সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰা।

(ঘ) অসমীয়া সংস্কৃতি "সমন্বয় আৰু সমাহৰণৰ সংস্কৃতি" — ব্যাখ্যা কৰা।

---





**63 (FY)SEM–3/MAJ/ASMMAJ2014**

**2024**

# ASSAMESE

Paper : ASMMAJ2014

***(Culture of Assam)***

*Full Marks : 70*

*Pass Marks : 28*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। তলৰ দিয়াসমূহৰ শুদ্ধ উত্তৰটো বাছি উলিওৱা ঃ ১×৬=৬

(ক) "Cultue" শব্দটো পোন প্ৰথমবাৰৰ বাবে কিমান চনত ব্যৱহাৰ হৈছিল?

*(i)* ১৮৫৬ চন

*(ii)* ১৮৬৫ চন

*(iii)* ১৯৫৬ চন

*(iv)* ১৯৬৫ চন

(খ) “প্ৰাক্‌জ্যোতিষ” শব্দটো পূৰ্বৰ ______ শব্দ “পগৰ-জো-তিচ”–ৰ পৰা গ্ৰহণ কৰা হৈছে।

(i) অষ্ট্ৰিক

(ii) নৰ্ডিক

(iii) মংগোলীয়

(iv) দ্ৰাবিড়

(গ) “বাথৌ-সাই” কোন জনগোষ্ঠীৰ উপাস্য দেৱতা?

(i) বড়ো

(ii) ৰাভা

(iii) মিছিং

(iv) কাৰ্বি

(ঘ) “অসমীয়া ভাষা আৰু সংস্কৃতি” পুথিখনৰ লেখক কোন?

(i) প্ৰফুল্ল দত্ত গোস্বামী

(ii) নবীন চন্দ্ৰ শৰ্মা

(iii) বিৰিঞ্চি কুমাৰ বৰুৱা

(iv) প্ৰফুল্ল দত্ত গোস্বামী

(ঙ) ৰাভাসকলে উদ্‌যাপন কৰা এটি উৎসৱ হ’ল –

(i) আলি-আয়ে-লৃগাং

(ii) বৈছাগু

(iii) অৰিমাগা

(iv) ফাৰকান্তি



(চ) “পেৰিপ্লাছ” কি ভাষাৰ পুথি?

(i) গ্ৰীক্

(ii) লেটিন

(iii) সংস্কৃত

(iv) উৰ্দু

২। তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া: *(যিকোনো পাঁচটা)* ২×৫=১০

(ক) সংস্কৃতিৰ দুটা বৈশিষ্ট্য লিখা।

(খ) লোকসংস্কৃতি বুলিলে কি বুজা।

(গ) ‘প্ৰাগ্‌জ্যোতিষ’ শব্দৰ অৰ্থ লিখা।

(ঘ) ‘কামৰূপ’ শব্দটোৰ মূল কি? ই কোন ভাষাৰ শব্দ?

(ঙ) প্ৰাচীন অসম সম্পৰ্কে জানিব পৰা দুখন প্ৰামাণ্য গ্ৰন্থৰ নাম লিখা।

(চ) ৰাভা মহিলাই পৰিধান কৰা দুবিধ সাজপাৰৰ নাম লিখা।

(ছ) মংগোলীয় নৃ-গোষ্ঠীৰ অন্তৰ্গত অসমৰ দুটা জনগোষ্ঠীৰ নাম লিখা।

৩। তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া ঃ *(যিকোনো ছয়টা)* ৫×৬=৩০

(ক) সংস্কৃতিৰ পাঁচটা উপাদানৰ বিষয়ে লিখি আলোচনা কৰা।

(খ) অসম নামৰ উৎপত্তি সম্বন্ধে এটি টোকা যুগুত কৰা।